মোবাইল ফ্ৰেইগুলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, APRIL 08, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১০০ Guwahati, Assam ।। মূল্যঃ এটকা

# পিছলিল জিভা! মোদীৰ সমুখত বিহাৰৰ মুখ্যমন্ত্ৰীৰ দাবী

# চাৰিশ নহয়, ৪ হাজাৰ আসনত জয়ী হ'ব বিজেপি!





লুৰীণৰ হৈ অখিল গগৈৰ ভোট ভিক্ষা, কাষৰ ছবিত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণৰত সোণোৱাল

পাটনা, ৭ এপ্ৰিলঃ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ লগতে ৪০০ৰো অধিক আসন লাভৰ লক্ষ্যৰে এইবাৰ লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছে শাসকীয় বিজেপি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই ৪০০ৰো অধিক আসন লাভৰ শ্ল'গানেৰে নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰিছিল। শেষাংশ ২ পৃষ্ঠাত

## ৯ এপ্ৰিলত অমিত শ্বাহৰ অসম ভ্ৰমণ

■ সবিশেষ ৫ পৃষ্ঠাত

## যোৰহাটত আৰক্ষী বিষয়াৰ নিৰ্লজ্জ কাণ্ড

■ সবিশেষ ৪ পৃষ্ঠাত চাওক

## গুৱাহাটীত 'কা'ৰ বিৰুদ্ধে অভিযান

■ সবিশেষ ৯ পৃষ্ঠাত

## কোকৰাঝাৰত ম'হ, বকোত বন্য হস্তীৰ আক্ৰমণ

■ সবিশেষ বাতৰি ৪ পৃষ্ঠাত চাওক

## সোণোৱাল-কছাৰী গণমঞ্চই এৰিলে সংগ

ই-সংবাদ, ৭ এপ্ৰিলঃ প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে থিয় দিছে সোণোৱাল শেষাংশ ৫ পৃষ্ঠাত

## আকৌ হিন্দু বঙালীক আশ্বাস

ই-সংবাদ, ৭ এপ্ৰিলঃ আজি হোজাইত এক নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰি চৰকাৰ গঠনৰ পাছতে হিন্দু বঙালীৰ শেষাংশ ৩ পৃষ্ঠাত

## ভাৰতৰ নিৰ্বাচনত 'এআই'ৰ সহায় লৈ নজৰ ৰাখিছে ৰঙা চীনে



নতুন দিল্লী, ৭ এপ্ৰিলঃ কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ এআইৰ জৰিয়তে সমাগত ভাৰতৰ লোকসভা নিৰ্বাচনত প্ৰভাৱ পেলাব পাৰে ৰঙা চীনে। এই সন্দেহ ব্যক্ত কৰিছে শেষাংশ ২ পৃষ্ঠাত

## কেৰালাত ৰেগিং, ছাত্ৰৰ আত্মহত্যা

বাৰ্লিন, ১ এপ্ৰিলঃ জাৰ্মানীত আজিৰে পৰা ভাং বা গাঞ্জাৰ ওপৰত থকা নিষেধাজ্ঞা একপ্ৰকাৰ উঠাই লোৱা হৈছে। অৱশ্যে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত শেষাংশ ৫ পৃষ্ঠাত

## ইডিৰ চাৰ্জশ্বিটত ফ্ৰীজ, টিভিৰ ৰচিদ

নতুন দিল্লী, ৭ এপ্ৰিলঃ ভূমি কেলেংকাৰী গোচৰত কাৰাবন্দী প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে ইডিয়ে। হেমন্ত ছোৰেনে কেনেকৈ 'দুৰ্নীতি'ৰ লগত জড়িত আছিল, অবৈধভাৱে বিশাল মাটি দখল কৰিছিল, সেই কথা ইডিৰ অভিযোগনামাত ব্যাখ্যা কৰা হৈছে। সেই চাৰ্জ শ্বীটত কেন্দ্ৰীয় সংস্থাটোৱে প্ৰমাণ হিচাপে দুখন ৰচিদ দেখুৱাইছে। ইয়াৰে এখন ৰছিদ ফ্ৰীজ আৰু আনখন স্মাৰ্ট টিভিৰ। উল্লেখ্য যে, ঝাৰখণ্ড শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতৰ নিৰ্বাচনত ‘এআই’ৰ

আমেৰিকান টেক কোম্পানী মাইক্ৰছফ্টে। টেক কোম্পানীটোৱে আংশকা ব্যক্ত কৰি কয় যে কৃত্তিম বুদ্ধিমত্তা কণ্টেন্টৰ জৰিয়তে চীনে ভাৰতত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনক প্ৰভাৱিত কৰিব পাৰে। শেহতীয়াকৈ টাইৱানত চলি থকা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত চীনে ইয়াৰ ট্ৰায়েল ৰান চলাইছিল বুলিও মন্তব্য কৰে মাইক্ৰছফ্টে। শেহতীয়াকৈ মাইক্ৰ’ছফ্টৰ সহ-প্ৰতিষ্ঠাপক বিল গেটছে প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰি সামাজিক কাম, মহিলাৰ বিকাশ আৰু স্বাস্থ্যৰ লগতে কৃষিক্ষেত্ৰত উদ্ভাৱনৰ বাবে এআই ব্যৱহাৰ কৰাৰ বিষয়ে আলোচনা কৰিছিল। মন কৰিবলগীয়া যে, ইউৰোপীয় সংঘকে ধৰি সমগ্ৰ বিশ্বৰ ৬৪খন দেশত এইবাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব। এই আটাইকেইখন দেশত বিশ্বৰ ৪৯% জনসংখ্যাই বাস কৰে। মাইক্ৰ’ছফ্টৰ চোৰাংচোৰা দলৰ মতে, উত্তৰ কোৰিয়াৰ পৰাও সমৰ্থন পোৱা চীন সমৰ্থিত চাইবাৰ গ্ৰুপসমূহে ২০২৪ চনৰ নিৰ্বাচনক লক্ষ্য কৰি ল’ব পাৰে। মাইক্ৰ’ছফ্টে কয় যে চীনে এআই জেনেৰেটেড কন্টেন্ট ব্যৱহাৰ কৰি ইয়াৰ সুবিধাৰ সৈতে জড়িত বিষয়সমূহৰ প্ৰতি সাধাৰণ জনতাক আকৰ্ষণ কৰাত সহায় কৰিব। মাইক্ৰ’ছফটে নিজৰ বিবৃতিত কয়, ‘এই বছৰ বহু ঠাইত বিশেষকৈ ভাৰত, দক্ষিণ কোৰিয়া আৰু আমেৰিকাত নিৰ্বাচন অনুষ্ঠিত হৈছে। আমাৰ অনুমান যে চীনে এই নিৰ্বাচনক এ আই জেনেৰেটেড কন্টেন্ট তৈয়াৰ কৰি নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰিব।' উল্লেখ্য যে, এ আইৰ সহায়ত যিকোনো ধৰণৰ কন্টেন্ট তৈয়াৰ কৰিব পাৰি। ডিপফেক ব্যৱহাৰ কৰি কেতিয়াও নহোৱা পৰিঘটনাৰ ভিডিঅ’ তৈয়াৰ কৰিব পাৰি। এনে ভিডিঅ’, এনে ছবি নিৰ্বাচনৰ সময়ত নিৰ্বিচাৰে শ্বেয়াৰ কৰা হয় আৰু নিৰ্বাচনৰ ট্ৰেণ্ড যিকোনো দিশলৈ যাব পাৰে। বৰ্তমান এআইয়ে সৃষ্টি কৰা কন্টেন্টৰ ওপৰত ইয়াৰ প্ৰভাৱ কম, কিন্তু চীনে যিদৰে নিজৰ পৰীক্ষা-নিৰীক্ষা বৃদ্ধি কৰিছে, ভৱিষ্যতে এই প্ৰযুক্তি আয়ত্ত কৰিব পাৰিব। টাইৱানত অনুষ্ঠিত হ’বলগীয়া নিৰ্বাচনত চীনে এ আই জেনেৰেটেড কন্টেন্ট ব্যৱহাৰ কৰিছিল। মাইক্ৰ’ছফটে কয় যে বেইজিং সমৰ্থিত গোট ষ্টৰ্ম ১৩৭৬ বা স্পাম’ফ্লগ টাইৱানৰ নিৰ্বাচনত অতি সক্ৰিয় আছিল। এই গোটটোৱে এ আইয়ে সৃষ্টি কৰা ছবি মুকলি কৰিছিল, য’ত ভুৱা অডিঅ’ অপপ্ৰচাৰ আৰু মিম আছিল। ইয়াৰ জৰিয়তে নিৰ্বাচনী প্ৰাৰ্থী আৰু ভোটাৰৰ মতামত সলনি কৰাৰ প্ৰয়াস কৰা হৈছিল। ইফালে শেহতীয়াকৈ এ আই জেনেৰেটেড টিভি নিউজ এংকৰো ইৰাণে ব্যৱহাৰ কৰিছে। মাইক্ৰ’ছফ্টে কয়, ‘ষ্টৰ্ম ১৩৭৬য়ে এ আইৰ সহায়ত টাইৱানৰ ডেম’ক্ৰেটিক প্ৰগ্ৰেছিভ পাৰ্টিৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী উইলিয়াম লাইৰ ধাৰাবাহিক মিমৰ প্ৰচাৰ কৰিছিল। ইয়াত এ আই জেনেৰেটেড টিভি নিউজ এংকৰৰো ব্যৱহাৰ কৰা হৈছিল। 'মাইক্ৰ’ছফ্টে কয় যে চীনৰ গোটটোৱে আমেৰিকাৰ নিৰ্বাচনতো প্ৰভাৱ পেলাইছে। ভৌগোলিকভাৱে বিশিষ্ট স্থানত ভোটাৰৰ সৈতে জড়িত চোৰাংচোৱাৰ তথ্য সংগ্ৰহ কৰি মানুহক যুঁজিবলৈ প্ৰশ্ন উত্থাপন কৰিবলৈ চেষ্টা কৰিছে। মাইক্ৰ’ছফটে কয়, ‘যোৱা কেইমাহমানৰ পৰা চীনা এ আইয়ে সৃষ্টি কৰা কন্টেন্টৰ প্ৰভাৱ দ্ৰুতগতিত বৃদ্ধি পাইছে। ইয়াৰ মাজতে সাম্প্ৰতিক সময়ত মানুহক প্ৰভাৱিত কৰা আৰু মানুহক বিভাজিত কৰাৰ ঘটনা দ্ৰুতগতিত বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ২০২৩ চনৰ নৱেম্বৰ মাহত কেন্টাকিত ৰে’ল বাগৰা, ২০২৩ চনৰ আগষ্ট মাহত মাউইত অগ্নিকাণ্ড, জাপানৰ পাৰমাণৱিক বৰ্জ্য পানী নিষ্কাশন, ড্ৰাগছ সেৱন, অনুপ্ৰৱেশ নীতি আৰু ৰংভিত্তিক বৈষম্যৰ কাণ্ড আদি অন্তৰ্ভুক্ত। মানুহৰ মতামত গঢ় দিয়াত কৰা কাম যে যথেষ্ট সফল হৈছে তাৰ এইটোৱেই প্ৰমাণ।' উল্লেখ্য যে, অহা ১৯ এপ্ৰিলৰ পৰা ভাৰতত মুঠ ৭টা পৰ্যায়ত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আৰম্ভ হ’ব। ইয়াৰ পিছতে ৪ জুনত ফলাফল ঘোষণা হব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰিশ নহয়, ৪ হাজাৰ আসনত

ইয়াৰ পিছতে দেশৰ চুকে-কোণে বিজেপিৰ নেতা-কৰ্মীসকলে 'চাৰশো পাৰ' শ্ল’গান দিবলৈ আৰম্ভ কৰা দেখা গৈছে। বিজেপিৰ লগতে এনডিএৰ অংশীদাৰ আন দলসমূহেও দিছে একেই শ্ল’গান। মোদীৰ এই শ্ল’গানৰ মাজতে বিহাৰৰ 'পল্টুৰাম ছাহা’ খ্যাত নীতিশ কুমাৰে আকৌ তাতোকৈয়ো এখোপ আগুৱাই গৈছে। এইবাৰ হেনো বিজেপিয়ে লাভ কৰি চাৰি হাজাৰ সাংসদৰ সমৰ্থন! লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখতে জিভা পিচলিল বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ। প্ৰধানমন্ত্ৰীৰ প্ৰশংসাত গদগদ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়তে বিজেপিৰ ৪০০ আসন লাভৰ শ্লোগানক চাৰি হাজাৰৰ ৰূপ প্ৰদান কৰিলে মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। দৰাচলতে আজি নৱাদাত এক নিৰ্বাচনী প্ৰচাৰ সভাত একেলগে অংশ লৈছিল প্ৰধানমন্ত্ৰী মোদী আৰু শেহতীয়াকৈ বিজেপিৰ শৰণাপন্ন হোৱা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ। এই জনসভাতে মঞ্চৰ পৰা নীতিশ কুমাৰে প্ৰচাৰ চলাই কয়, 'প্ৰধানমন্ত্ৰীৰ দশম বছৰ চলি আছে, ভৱিষ্যতেও তেওঁৰ চৰকাৰ চলি থাকিব। এইবাৰ চাৰি হাজাৰৰো অধিক সাংসদৰ সমৰ্থন তেওঁলোকে লাভ কৰিব বুলি আমাৰ পূৰ্ণ আশা আছে।' এই মন্তব্য শুনি মঞ্চত বহি থকা নৰেন্দ্ৰ মোদীয়েও একপ্ৰকাৰ বিব্ৰতবোধ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে, ৫৪৩ জনীয়া লোকসভাত এইবাৰ এন ডি এ মিত্ৰজোঁটে ৪০০ খন আসন লাভ কৰিব বুলি দাবী কৰি আহিছে মোদী আৰু বিজেপিয়ে। এনে পৰিপ্ৰেক্ষিতত বিহাৰৰ মুখ্যমন্ত্ৰীয়েও সেই একেই শ্লোগান আওৰাবলৈ গৈ জিভা পিচলি চাৰি হাজাৰ সাংসদৰ আসন লাভ কৰাৰ মন্তব্য কৰে। অৱশ্যে প্ৰধানমন্ত্ৰী মোদী বা তেওঁৰ সমৰ্থক নেতাৰ এনেদৰে জিভা পিচলা নতুন কথা নাই। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়েও এবাৰ ভাৰতৰ মুঠ জনসংখ্যা ৬০০ কোটি বুলি মন্তব্য কৰিছিল। ইফালে জিভা পিছল খাই ওলোৱা নীতিশ কুমাৰৰ এই মন্তব্যৰ পিছতে আক্ৰমণাত্মক হৈ পৰা দেখা গৈছে বিৰোধীক। বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তেজস্বী যাদৱে নীতিশ কুমাৰক কটাক্ষ কৰি কয় যে পল্টুৰাম ছাহাই এতিয়া বিজেপিলৈ গৈ মোদীত ভৰিত পৰিবলৈ গৈ নিজক ইমানেই তললৈ নিছে যে বিজেপিক ৪০০০ আসনতেই জিকিব বুলি কৈ ফুৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইডিৰ চাৰ্জশ্বিটত ফ্ৰীজ, টিভিৰ

মুক্তি মৰ্চাৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ বিৰুদ্ধে প্ৰায় ৯ একৰ মাটি অবৈধভাৱে দখল কৰাৰ অভিযোগ উত্থাপন হৈছে। যাৰ আনুমানিক বজাৰ মূল্য ৩১ কোটি টকা। ভূমি 'কেলেংকাৰী' গোচৰৰ অভিযোগনামাত হেমন্তৰ বাহিৰেও আন তিনিজন লোকৰ নাম উল্লেখ কৰা হৈছে। দুৰ্নীতিৰ লগত জড়িত থকাৰ অভিযোগো উত্থাপন হৈছে। ইডিৰ সূত্ৰৰ মতে, ৰাঁচীত দুজন ডিলাৰৰ পৰা ফ্ৰীজ আৰু স্মাৰ্ট টিভিৰ ৰচিদ সংগ্ৰহ কৰা হৈছে। অভিযোগ পত্ৰৰ লগতে কেন্দ্ৰীয় বিষয়াসকলে দাখিল কৰিছে এই ৰচিদ। ইডিয়ে চাৰ্জ শ্বীটত দাবী কৰিছে যে সন্তোষ মুণ্ডা নামৰ এজন ব্যক্তিৰ পৰিয়ালৰ সদস্যৰ নামত ফ্ৰীজ আৰু টিভি ক্ৰয় কৰা হৈছিল। কেন্দ্ৰীয় তদন্তকাৰীৰ আগত সন্তোষে কয় যে তেওঁ ১৪ৰ পৰা ১৫ বছৰলৈকে হেমন্তৰ মাটিৰ তত্ত্বাৱধায়ক হিচাপে কাম কৰিছিল। ইফালে আৰম্ভণিৰে পৰা এই ভূমি কেলেংকাৰীৰ অভিযোগ অস্বীকাৰ কৰি আহিছে হেমন্ত ছোৰেনে। তেওঁ কয় যে উক্ত ভূমিৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাই। সেই দাবীৰ বিপৰীত হিচাপে ইডিয়ে কেয়াৰটেকাৰ সন্তোষৰ বিবৃতি দাখিল কৰে। ৰাজকুমাৰ পাহান নামৰ এজন ব্যক্তিৰ নামত এই মাটি পঞ্জীয়ন কৰা হৈছে। ইডিৰ দাবী যে তেওঁ আচলতে হেমন্তৰ ঘনিষ্ঠ। উল্লেখ্য যে, যোৱা ৩১ জানুৱাৰীত ভূমিৰ গোচৰত ছোৰেনক গ্ৰেপ্তাৰ কৰিছিল ইডিয়ে। গ্ৰেপ্তাৰৰ পূৰ্বে তেওঁ ৰাজভৱনলৈ গৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰে। বৰ্তমান তেওঁ ন্যায়িক জিম্মাত আছে। ৰাঁচীৰ বীৰছা মুণ্ডা কাৰাগাৰত ৰখা হৈছে ছোৰেনক। এই গ্ৰেপ্তাৰৰ বিৰুদ্ধে আদালতৰো কাষ চাপিছে ছোৰেনে। ইফালে, পদত্যাগৰ পিছত চম্পাই ছোৰেনে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ হিন্দু বঙালীক আশ্বাস

ডি-ভোটৰৰ সমস্যা ছয় মাহৰ ভিতৰত সমাধান কৰিব আশ্বাস প্ৰদান কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত হোজাইত জনসভা সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্বাচন পাৰ হৈ যোৱাৰ ছয় মাহৰ ভিতৰত বঙালী হিন্দুসকলৰ ডি-ভোটাৰৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰা হ'ব৷ হিন্দু বঙালী জনসাধাৰণক আশ্বাস দি চৰকাৰে বিতৰ্কিত বিষয়টো সমাধান কৰিবলৈ পদক্ষেপ ল'ব বুলি কয় ড০ শৰ্মাই৷ কংগ্ৰেছ দলক আক্ৰমণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে পুৰণি মুদ্ৰা নোটৰ দৰে এই বিষয়টোক কংগ্ৰেছ তল পেলাই ৰাখিছিল৷ কংগ্ৰেছৰ কাৰ্যকালত শান্তি বজাই ৰখাত বিফল হোৱাৰ অভিযোগ উত্থাপন কৰি ড০ শৰ্মাই কয় যে কংগ্ৰেছ শান্তি আৰু উন্নয়ন বজাই ৰখাত ব্যৰ্থ হৈছিল৷ কিন্তু কেন্দ্ৰীয় আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে শান্তি আৰু উন্নয়ন বজাই ৰখাত সফল হৈছে৷ ডি-ভোটাৰৰ ধাৰণাই নাগৰিকত্বক লৈ প্ৰশ্ন উত্থাপন কৰে আৰু সন্দেহজনক বুলি কোৱা হয়৷ ১৯৯৭ চনত নিৰ্বাচন আয়োগে ভোটাৰ তালিকাত ডি-ভোটৰৰ বুলি একাংশ লোকক চিনাক্ত কৰিছিল৷ যাৰ বাবে এইসকল লোকে যুঁজ দিবলগীয়া হৈছে৷ বৰ্তমান অসমত ৯৬,৯৮৭ জন ডি-ভোটাৰ আছে। উল্লেখ্য যে, ডি-ভোটাৰৰ সমস্যাই অসমৰ ৰাজনীতিত দীৰ্ঘদিন ধৰি গুৰুত্ব পাই আহিছে।

# ৫ হাজাৰ গোহাৰি পত্ৰৰ বাবে ৮৩ বছৰীয়া উদ্ধৱ বৰ্মনক থিয় কৰাই ৰাখিলে ৪৫ মিনিট

## নিৰ্বাচন আয়োগৰ নাভূত-নাশ্ৰুত কাণ্ড, ক্ষুব্ধ চিপিআইএম

**ই-সংবাদ, ৭ এপ্ৰিলঃ** ৫ হাজাৰ গোহাৰি পত্ৰ কঢ়িয়াই নিয়াৰ বাবে ৪৫ মিনিটতকৈও অধিক সময় পথৰ দাঁতিত থিয় কৰালে ৮৩ বছৰীয়া প্ৰাক্তন সাংসদ উদ্ধৱ বৰ্মনক। আজি নিৰ্বাচনী আয়োগৰ ফ্লাইং স্কোৱাডে এই কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে চিপিআইএমে দলে। প্ৰায় ৫ হাজাৰ গোহাৰি পত্ৰ কঢ়িয়াই অনাৰ বাবে নিৰ্বাচন আয়োগৰ ফ্লাইং স্কোৱাডে ৪৫ মিনিটতকৈও অধিক সময় পথত থিয় কৰাই চিপিআইএমৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন সাংসদ উদ্ধৱ বৰ্মনক। এই নাভূত-নাশ্ৰুত ঘটনাক সহজে ল'ব পৰা নাই সচেতন নাগৰিকে। ভৱানীপুৰৰ সমীপৱৰ্তী ইটাভাটা নামৰ ঠাইত এই ঘটনা সংঘটিত কৰে নিৰ্বাচন আয়োগৰ ফ্লাইং স্কোৱাডে। জানিব পৰা মতে, সৰভোগ অঞ্চলৰ সদ্য প্ৰয়াত হজিন দাসৰ পৰিয়ালৰ খবৰ ল'বলৈ গৈছিল উদ্ধৱ বৰ্মন। গাড়ীত আছিল গুৱাহাটীৰ ৰাজ্যিক পাৰ্টি অফিচৰ পৰা সৰভোগ পাৰ্টি অফিচলৈ কঢ়িয়াই নিয়া ৫ হাজাৰ গোহাৰি পত্ৰ আৰু পাৰ্টিৰ মুখপত্ৰ গণশক্তিৰ কিছু সংখ্যা। ইটাভাটা নামৰ ঠাইখনত দিনৰ প্ৰায় ১ বজাত নিৰ্বাচনী আয়োগৰ ফ্লাইং স্কোৱাডে গাড়ী ৰ'বলৈ নিৰ্দেশ দিয়ে আৰু সেইমতে গাড়ীখনৰ তালাচী চলায়। গাড়ীত কোনো টকা-পইচা নাপাই গোহাৰি পত্ৰখিনিকে আপত্তিজনক বস্তু বুলি নিৰ্বাচনী বিষয়া আৰু আৰক্ষীয়ে নানা প্ৰশ্ন কৰিবলৈ ধৰে। গাড়ী যোৱা উদ্ধৱ বৰ্মন, ৰিতু ৰঞ্জন দাস কিংকৰ্তব্যবিমূঢ় হৈ পৰে। উদ্ধৱ বৰ্মন, ৰিতু ৰঞ্জন দাসে অসহায়ভাৱে প্ৰচণ্ড ৰ'দত পথৰ দাঁতিত থিয় হৈ থাকিবলগীয়া হয়। পাছত পথৰ দাঁতিৰ দোকানীয়ে বেঞ্চত বহিবলৈ দিয়ে দুয়ো নেতাক। প্ৰায় একঘণ্টাৰ অন্তত যাবলৈ দিয়া হয় দুই নেতাক। চিপিআইএমৰ অসম ৰাজ্যিকৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে ঘটনাক তীব্ৰ নিন্দা কৰাৰ লগতে এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে। সুপ্ৰকাশ তালুকদাৰে কয় যে যিসময়ত মুখ্যমন্ত্ৰী আৰু বিজেপি দলে পদে পদে নিৰ্বাচনী বিধি ভংগ কৰিছে সেই সময়তে ৫ হাজাৰ গোহাৰি পত্ৰ কঢ়িয়াৰ বাবেই চিপিআইএমৰ জ্যেষ্ঠ নেতাজনক অসন্মান কৰা হৈছে। এয়া স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ আখৰা নে বিৰোধী নেতা-কৰ্মীক হাৰাশাস্তি কৰা কৌশল বুলি প্ৰশ্ন কৰিছে দলটোৱে। এয়া সাধাৰণ ভুল বুলি আমি কোনো মতেই মানি ল'ব নোৱাৰো। এয়া এক গভীৰ ষড়যন্ত্ৰ বুলি কৈ এই কাণ্ডৰ তদন্ত দাবী কৰে সুপ্ৰকাশ তালুকদাৰে। উল্লেখ্য যে নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈ থকাৰ সময়তো ঘৰে ঘৰে গৈ সামাজিক-সমীক্ষা চলোৱাৰ নামত অৰুণোদয় প্ৰ-পত্ৰ বিতৰণ কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে শাসকীয় বিজেপি দলৰ বিৰুদ্ধে। তেনে সময়তে এগৰাকী ৮৩ বছৰীয়া নেতাক কেইখনমান গোহাৰিৰ বাবে পথত এনেদৰে হাৰাশাস্তি কৰাৰ ঘটনাই এতিয়া সচেতন মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত আৰক্ষী বিষয়াৰ

**ই-সংবাদ, যোৰহাট, ৭ এপ্ৰিলঃ** অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে অসম আৰক্ষীক সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰি থকা দেখা যায় যদিও অসম আৰক্ষীৰ একাংশ বিষয়াই নিজকে সংস্কাৰ কৰিব নোখোজে। বাৰে বাৰে অনৈতিক কাণ্ড সংঘটিত কৰি অসম আৰক্ষীৰ বদনাম কৰি আহিছে খোদ নিজ বিভাগৰে একাংশ বিষয়াই। এদিন পূৰ্বে তদানীন্তন দৰং জিলাৰ আৰক্ষী আধীক্ষক ৰাজমোহন ৰায়ক বনকৰা কিশোৰী হত্যাকাণ্ডৰ গাপ দিবলৈ লক্ষ লক্ষ টকাৰ উৎকোচ লোৱাৰ ঘটনাক লৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। এগৰাকী বিদেশী পৰ্যটকে যোৰহাট আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি ভিডিঅ’ শ্বেয়াৰ কৰাৰ সময়তে আন এগৰাকী মহিলাই যোৰহাট জিলাৰে আৰক্ষী বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এগৰাকী আৰক্ষী বিষয়াই গোচৰ তৰিবলৈ অহা মহিলাক আৱাসলৈ নি শোষণ কৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে যোৰহাট সদৰ আৰক্ষী থানা সংঘটিত এই ঘটনাই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৰহাট সদৰ আৰক্ষী থানাৰ বিষয়াগৰাকী হৈছে কুমুদ গন্ধীয়া ফুকন। বিষয়টোৱে জিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰাত আৰক্ষী অধীক্ষক শ্বেতাং মিশ্ৰই বিভাগীয় তদন্ত আৰম্ভ কৰি কুমুদ গন্ধীয়া ফুকনক ৰিজাৰ্ভ ক্ল’জ কৰিছে। বিভাগীয় তদন্তৰ অন্তত কুমুদ গন্ধীয়া ফুকনক চাকৰিৰ পৰা নিলম্বন কৰা হ’ব পাৰে। জানিব পৰা মতে, যোৰহাট সদৰ আৰক্ষী থানাৰ বিষয়া কুমুদ গন্ধীয়া ফুকন এই কাণ্ড সংঘটিত কৰিছে। ৩১ মাৰ্চত স্বামীৰ নিৰ্যাতনৰ বিৰুদ্ধে গোচৰ তৰিবলৈ আহিছিল এগৰাকী মহিলা। দুৰ্ভগীয়া মহিলাক আৰক্ষী বিষয়া কুমুদ গন্ধীয়া ফুকনে স্বামীৰ পৰা ৰক্ষা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। যি ব্যৱস্থাই অসম আৰক্ষীক নাক কাটিলে। আৰক্ষী বিষয়া কুমুদ গন্ধীয়া ফুকন অভিযোগ শুনিবলৈ যোৰহাট থানাৰ চৌহদতে থকা আৱাসলৈ নিয়ে মহিলাক। মহিলাক আৱাসত বন্দী কৰি মহিলাৰ সন্মুখতে শৰীৰ পৰা পোছাক খোলে। লগতে সুৰাপান কৰিবলৈ আৰম্ভ কৰে গন্ধিয়াই। কিছু সময় পাছত মহিলাক আৱাসত আহাৰ গ্ৰহণ কৰি যাবলৈ কয়। মহিলাৰ সৈতে কথা পাতি থকাৰ মাজে মদৰ পেক পান কৰি গৈছিল আৰক্ষী বিষয়া গন্ধিয়াই। লগতে ভাত ৰান্ধিবলৈ আৰম্ভ কৰে। কিন্তু তেনে সময়তে আৰক্ষী বিষয়া কুমুদ গন্ধীয়া ফুকনে মহিলাৰ শৰীৰৰ বিভিন্ন অংশত হাতেৰে স্পৰ্শ কৰে। ফুকনৰ এনে কাণ্ডত আতংকিত হৈ ভুক্তভোগী মহিলাই আৱাসৰ পৰা পালায়ন কৰে। পলায়ন কৰিও সুৰক্ষিত নহ’ল মহিলা। আদবাটত মহিলাক আগচি খাদ্য খাদ্য ভৰ্তি টিফিন, মোবাইল আৰু ছিম কাৰ্ড হাতত তুলি দি এই কথা কোনো লোকক নকবলৈ সকীয়নি প্ৰদান কৰে। কিন্তু তিনিদিনৰ মূৰত ভুক্তভোগী মহিলা আৰু স্বামীয়ে আৰক্ষী বিষয়া কুমুদ গন্ধিয়া ফুকনৰ বিৰুদ্ধে যোৰহাটৰ আৰক্ষী অধীক্ষকক এজাহাৰ দাখিল কৰিলে। কুমুদ গন্ধীয়া ফুকনৰ বিৰুদ্ধে যোৰহাট আৰক্ষীয়ে গোচৰ ৰুজু কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰে। বিভাগীয় তদন্ত আৰম্ভ কৰি বিষয়াগৰাকীক ৰিজাৰ্ভ ক্ল’জ কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত ম’হ, বকোত

**ই-সংবাদ, কোকৰাঝাৰ, ৭ মাৰ্চঃ** বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া ম’হৰ আক্ৰমণত আজি দুজন গঞা লোক গুৰুতৰভাৱে আহত হয়। কোকৰাঝাৰ জিলাৰ হলদিবাৰী আৰু কোকৰাঝাৰ আৰু চিৰাং জিলাৰ সীমান্তৱৰ্তী লাউটি মথাউৰিত পৃথকে পৃথকে এই ঘটনা সংঘটিত হৈছে। বনৰীয়া ম’হৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা দুজন ক্ৰমে কোকৰাঝাৰ জিলাৰ দুই নং বাশবাৰী গাঁৱৰ মেহুং বসুমতাৰী (৫০) আৰু চিৰাং জিলাৰ উত্তৰ ইছলাখাটা গাঁৱৰ ছেভেন নাৰ্জাৰী (৪০)। বনাঞ্চলৰ পৰা গাৱঁত প্ৰৱেশ কৰা বনৰীয়া গৰুটোক খেদিবলৈ যাওঁতে এই ঘটনা সংঘটিত হয়। উল্লেখ্য যে আজি বিয়লি ৪-৩০ মান বজাত কোকৰাঝাৰ জিলাৰ হলদিবাৰীত বনৰীয়া ম’হ বিচৰণ কৰি থকা প্ৰত্যক্ষ কৰি কিছু সংখ্যক গঞা ৰাইজে বনৰীয়া ম’হটোক খেদাৰ চেষ্টা চলায়। এনেদৰে বনৰীয়া ম’হটোক খেদিবলৈ যাওঁতে মেহুং বসুমতাৰী নামৰ লোকজন বনৰীয়া মহটোৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয়। মেহুং বসুমতাৰীক সংকটজনক অৱস্থাত কোকৰাঝাৰ আৰ এন বি হস্পিতাললৈ লৈ অনা যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ পিছত উন্নত চিকিৎসা বাবে মেহুং বসুমতাৰীক বাহিৰলৈ প্ৰেৰণ কৰা হৈছে। আনহাতে ইয়াৰ পূৰ্বে আজি দুপৰীয়াৰ ভাগত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ সীমান্তৱৰ্তী লাউটি মথাউৰিত একেটা বনৰীয়া ম’হৰ আক্ৰমণতে চিৰাং জিলাৰ উত্তৰ ইছলাখাটা গাঁৱৰ ছেভেন নাৰ্জাৰী গুৰুতৰভাৱে আহত হয়। ছেভেন নাৰ্জাৰী সম্প্ৰতি কোকৰাঝাৰৰ এখন ব্যক্তিগত হস্পিতালত চিকিৎসাধীন হৈ আছে। ছেভেন নাৰ্জাৰীৰ অৱস্থাও সংকটজনক বুলি জনা গৈছে। উল্লেখ্য যে, বনৰীয়া ম’হটো সম্প্ৰতি কোকৰাঝাৰৰ হলদিবাৰী এলেকাতে বিচৰণ কৰি আছে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হোৱা বন বিভাগৰ দলে বনৰীয়া ম’হটোক ট্ৰেংকুলাইজ কৰাৰ বাবে চেষ্টা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। ই-সংবাদ, বকোঃ দক্ষিণ কামৰূপৰ বকোত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। আজি পুনৰ বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হৈছে। নিশা হাতীৰ আক্ৰমণত ৫৭ বছৰীয়া হামচিং কে মাৰাক নামৰ লোকজনে প্ৰাণ হেৰুৱাই। মাৰাকে বাগিচাৰ কামত নিয়োজিত হৈ থকাৰ সময়ত গোহলকোনাৰ ওচৰৰ পাহাৰত বনৰীয়া হাতীৰ জাকে আক্ৰমণ কৰে। পাঁচটা হাতী থকা এটা জাকে পাহাৰৰ পৰা নামি আহি এই কাণ্ড সংঘটিত কৰে। জানিব পৰা মতে, হাতীৰ জাকটোৱে পাহাৰৰ পৰা নামি আহি জনাঞ্চলত থিতাপি লৈছে। কৃষি পথাৰ আদি অনিষ্ট কৰি গৈছে। তেনে সময়তে হামচিং কে মাৰাকক আক্ৰমণ কৰে। উল্লেখ্য যে অঞ্চলটোত দীৰ্ঘদিন ধৰি বন্যহস্তীয়ে সন্ত্ৰাস চলাই আহিছে যদিও বন বিভাগে আজিকোপতি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমৰ্থ হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেৰালাত ৰেগিং, ছাত্ৰৰ

তিৰুৱনন্তপুৰম, ৭ এপ্ৰিলঃ হোষ্টেলৰ ছিনিয়ৰৰ ৰেগিং সহিব নোৱাৰি আত্মহত্যাৰ দৰে পথ বাছি ল'লে চিকিত্সা বিজ্ঞানৰ এজন ছাত্ৰই। শেহতীয়াকৈ কেৰালাত সংঘটিত মেডিকেল কলেজৰ এগৰাকী ছাত্ৰৰ আত্মহত্যাৰ ঘটনাৰ পিছত এই দাবী উত্থাপন কৰি ছাত্ৰজনৰ মৃত্যুৰ তদন্ত চিবিআইক অৰ্পণ কৰাৰ যো-জা চলাইছে কেৰালা আৰক্ষীয়ে। উল্লেখ্য যো, যোৱা ১৮ ফেব্ৰুৱাৰীত হোষ্টেলক বাথৰুমৰ ভিতৰত উদ্ধাৰ হৈছিল সিদ্ধাৰ্থন জাছে নামৰ এগৰাকী চিকিত্সা বিজ্ঞানৰ ছাত্ৰৰ মৃতদেহ। প্ৰাথমিক তদন্তক আৰক্ষীয়ে এয়া এক স্বাভাৱিক আত্মহত্যাৰ ঘটনা বুলি সন্দেহ কৰিলেও ছাত্ৰজনৰ পৰিয়ালৰ লোকে বাৰে বাৰে সিদ্ধাৰ্থন হোষ্টেলৰ জ্যেষ্ঠ ছাত্ৰৰ ৰেগিঙৰ বলি হোৱাৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পিছত ছাত্ৰজনৰ মৃত্যুৰ তদন্তৰ গভীৰতালৈ যায় আৰক্ষীয়েও একেই সন্দেহ ব্যক্ত কৰে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি আৰক্ষীয়ে এই আত্মহত্যা কাণ্ডৰ তদন্তৰ ভাৰ চিবিআইক গতাই দিয়াৰ সময়ত তদন্তৰ নথি-পত্ৰত ৰেগিঙৰ কথা উললেখ কৰিছে। আৰক্ষীয়ে লগতে এই কথাও উল্লেখ কৰিছে যে সিদ্ধাৰ্থনৰ মৃত্যুৰ পূৰ্বৰ ২৯ ঘণ্টা ধৰি তেওঁক ধাৰাবাহিকভাৱে ৰেগিং চলাইছিল হোষ্টেলৰ ছিনিয়ৰসকলে। এই ৰেগিং সহ্য কৰিব নোৱাৰিয়েই সিদ্ধাৰ্থনে চৰম পদক্ষেপ গ্ৰহণ কৰে। উল্লেখ্য যে, সিদ্ধাৰ্থন কেৰেলাৰ ৱায়ানাদৰ এখন চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। সেই মহাবিদ্যালয়ৰ হোষ্টেলতে থাকিছিল তেওঁ। ১৮ ফেব্ৰুৱাৰীত হোষ্টেলৰ বাথৰুমৰ পৰা উদ্ধাৰ হৈছিল সিদ্ধাৰ্থনৰ মৃতদেহ। তদন্তৰ অন্তত আৰক্ষীয়ে ৰেগিং সম্পৰ্কে জানিব পাৰে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, ১৬ ফেব্ৰুৱাৰীৰ পুৱা ৯ বজাৰ পৰা পিছদিনা দুপৰীয়া ২ বজালৈ অবিৰতভাৱে ছিদ্ধাৰ্থন ৰেগিঙৰ বলি হৈছিল। আনকি ছিনিয়ৰসকলে তেওঁক শাৰীৰিক নিৰ্যাতনো চলাইছিল। সিদ্ধাৰ্থনৰ শৰীৰত বেল্টৰ আঘাত পোৱা বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। ইফালে মহাবিদ্যালয়খনৰ একাংশ ৰাজনৈতিক দলৰ সদস্যই সিদ্ধাৰ্থনক ৰেগিং কৰাৰ অভিযোগ উত্থাপন কৰে মৃত ছাত্ৰজনৰ পৰিয়ালে। বাওঁপন্থী ছাত্ৰ সংগঠন এছ এফ আই সেই তালিকাত আছে। ইতিমধ্যে এই ঘটনাত ২০জন লোকৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিছে আৰক্ষীয়ে। কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়নে চিবিআইক এই ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়ে। ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণোৱাল-কছাৰী গণমঞ্চই

কছাৰী জনগোষ্ঠীৰ কেইবাটাও সংগঠনা সোণোৱাল-কছাৰী জনগোষ্ঠীৰ প্ৰভাৱশালী নেতা সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে ইতিমধ্যে থিয় দিছে নিজ জনগোষ্ঠীৰ সংগঠনা সোণোৱাল-কছাৰী জনগোষ্ঠীৰ হকে কাম নকৰাৰ অভিযোগ উত্থাপন কৰি সোণোৱাল-কছাৰী গণ মঞ্চই সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধাচাৰণ কৰি গৈছো ডিব্ৰুগড় সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধাচাৰণ কৰি সোণোৱাল-কছাৰী জনগোষ্ঠীৰ ৰাজনৈতিক দলে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য মঞ্চত যোগদানৰ ঘোষণা কৰিছো সোণোৱাল-কছাৰী গণমঞ্চই আজি কংগ্ৰেছত মিত্ৰজোঁটত আনুষ্ঠানিকভাৱে যোগদান কৰো দেওবাৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ উপস্থিতিত ডিব্ৰুগড়ত সোণোৱাল-কছাৰী গণমঞ্চৰ নেতা গোপাল সোণোৱালৰ এক বৈঠক অনুষ্ঠিত হয়৷ উক্ত বৈঠকত আগন্তুক লোকসভা নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচনত একেলগে নিৰ্বাচন খেলাৰ সিদ্ধান্ত লয়৷ আলোচনাৰ অন্তত দলটোৱে উজনি অসমৰ ৫টা সমষ্টিত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ, কংগ্ৰেছৰ ৪ গৰাকী প্ৰাৰ্থী গৌৰৱ গগৈ, ৰ'জলীনা তিৰ্কী, উদয়শংকৰ হাজৰিকা আৰু প্ৰেমলাল গঞ্জুক সমৰ্থন দিয়া সিদ্ধান্ত গ্ৰহণ কৰে সোণোৱাল-কছাৰী গণ মঞ্চই। আজিৰে পৰা দলটোৱে আনুষ্ঠানিকভাৱে বিৰোধী ঐক্য মঞ্চৰ অংশীদাৰ হৈ একেলগে কাম কৰাৰ সিদ্ধান্ত লয়। এই অনুযায়ী বিৰোধী ঐক্য মঞ্চৰ ৫গৰাকী প্ৰাৰ্থীৰ সমৰ্থনত সোণোৱাল কছাৰী গণমঞ্চই গাঁৱে-ভূঞে, চহৰে-নগৰে প্ৰচাৰ চলাবা উল্লেখ্য যে সোণোৱালে লখিমপুৰ আৰু ডিব্ৰুগড় সমষ্টিৰ পৰা দীৰ্ঘদিনি ধৰি সাংসদ হৈ অহাৰ লগতে মুখ্যমন্ত্ৰীৰ পদতো অধিষ্ঠিত হৈছিল যদিও নিজ জনগোষ্ঠীটোৰ বাবে কোনোধৰণৰ লেখত ল'বলগীয়া কাম নকৰাৰ অভিযোগ উত্থাপিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯ এপ্ৰিলত অমিত শ্বাহৰ

**ই-সংবাদ, ৭ এপ্ৰিলঃ** ৯ এপ্ৰিলত অসম ভ্ৰমণ কৰিব গৃহমন্ত্ৰী অমিত শ্বাহে। অমিত শ্বাহে লখিমপুৰ, শোণিতপুৰ আৰু ডিব্ৰুগড়ত প্ৰচাৰত অংশ ল'ব বুলি জানিব পৰা গৈছে৷ পূৰ্বে, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ ৭ আৰু ৮ এপ্ৰিলত নিৰ্ধাৰিত অসম ভ্ৰমণ বাতিল কৰা হৈছিলা উল্লেখ্য যে, প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বা প্ৰথম পৰ্যায়ত শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট আৰু কাজিৰঙা সংসদীয় সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'বা কিন্তু নিৰ্বাচনলৈ কেইটামান দিন বাকী আছে যদিও এই পৰ্যন্ত অসম ভ্ৰমণ কৰা নাই বিজেপিৰ কেন্দ্ৰীয় নেতাই৷ নিৰ্বাচনৰ দিন ঘোষণাৰ পাছৰে পৰা বিজেপিৰ কেন্দ্ৰীয় নেতাই বৰ্তমানেও অসম ভ্ৰমণ কৰা নাই৷ ইতিমধ্যে এবাৰ অসম ভ্ৰমণ কাৰ্যসূচী বাতিল কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ প্ৰভাৱশালী নেতা অমিত শ্বাহে৷ হোজাই, লখিমপুৰ আৰু গহপুৰৰ নিৰ্বাচনী প্ৰচাৰৰ কাৰ্যসূচী বাতিল কৰিছে শ্বাহে৷ জানিব পৰা মতে, বিজেপি দলে ৭-৮ এপ্ৰিলত অমিত শ্বাহৰ অসম ভ্ৰমণসূচীৰ বাবে জনসভাৰ আয়োজন কৰিছিলা কিন্তু হঠাতে ৭-৮ এপ্ৰিলৰ অসমৰ কাৰ্যসূচী বাতিল কৰিছিল শ্বাহে৷ এতিয়া ৭-৮ এপ্ৰিলৰ পৰিৱৰ্তে ৯ এপ্ৰিলত অমিত শ্বাহ অসমলৈ আহিব বুলি জানিব পৰা গৈছে৷ উল্লেখ্য যে শ্বাহৰ অগমনক লৈ ৰাজ্যিক বিজেপিয়ে প্ৰস্তুতি চলাই আছে।

# হোজাইলৈ গৌৰৱ কঢ়িয়াই আনিলে ছাত্ৰীৰ দলে

**ই-সংবাদ, মোৰাঝাৰ, ৭ এপ্ৰিলঃ** নৰ্থ ইষ্ট ভিজনৰ উদ্যোগত ৩০ মাৰ্চৰ পৰা ১ এপ্ৰিললৈ গুৱাহাটীৰ কাহিলিপাৰাস্থিত জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ত চতুৰ্থ আন্তঃৰাষ্ট্ৰীয় 'কামাখ্যা মহোৎসৱ' অনুষ্ঠিত হয়। 'কামাখ্যা মহোৎসৱ'ত বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। তিনিদিন ধৰি অনুষ্ঠিত অনুষ্ঠানত জ্যোতি হাজৰিকাৰ নেতৃত্বৰ কেইবাগৰাকী ছাত্ৰীয়ে হোজাইলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অনুষ্ঠানত আধুনিক নৃত্য, লোকনৃত্য, শাস্ত্ৰীয় সংগীত, শাস্ত্ৰীয় নৃত্য, লোকবাদ্য, যোগ আৰু ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হয়। হোজাইৰ বিজয়ীসকল হৈছে ময়ূৰী সিং (ছবি অঁকা, প্ৰথম পুৰস্কাৰ), স্নেহা ৰয় (সৃজনীশীল নৃত্য, প্ৰথম পুৰস্কাৰ), আস্থা বাজাজ (কথক নৃত্য, শ্ৰেষ্ঠ পুৰস্কাৰ) ডোনা সৰকাৰ (বেঙ্গলী লোক নৃত্য, শ্ৰেষ্ঠ পুৰস্কাৰ) প্ৰণতি কলিতা (সৃজনীশীল নৃত্য, দ্বিতীয় পুৰস্কাৰ) লাভ কৰিবলৈ সক্ষম হয়। এই অনুষ্ঠানত বিশেষকৈ ডোনা সৰকাৰ আৰু আস্থা বাজাজক নৃত্যৰ পাৰদৰ্শিতাৰ বাবে দুয়োগৰাকী শিল্পীলৈ নৃত্য ময়ূৰী বঁটাৰে বিভূষিত কৰা হয়। ইপিনে নৃত্য সূৰ্য্যপ্ৰভা বঁটা হোজাই মৰিয়ম আজমল কলিজৰ শিক্ষয়িত্ৰী জ্যোতি হাজৰিকাক প্ৰদান কৰা হয়। এই খবৰে হোজাইবাসীক আনন্দিত কৰাৰ লগতে বিভিন্ন জনে তেওঁলোকক অভিনন্দন জ্ঞাপন কৰিছে।

# বিহু নাচৰ কৰ্মশালা সফল সামৰণি

**ই-সংবাদ, লাহৰীঘাট ৭ এপ্ৰিলঃ** সৰ্বমংগলম সংগীত মহাবিদ্যালয়,মৰিগাঁৱৰ উদ্যোগত অনুষ্ঠিত বিহু নাচৰ কৰ্মশালাৰ আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। ৩ এপ্ৰিলৰ পৰা পাঁচদিনীয়াকৈ মৰিগাঁও সদৰত অৱস্থিত সৰ্বমংগলম সংগীত মহাবিদ্যালয়ত বিহু নাচৰ কৰ্মশালাখন অনুষ্ঠিত হয়। আজি সামৰণি অনুষ্ঠানটো সংগীত মহাবিদ্যালয় খনৰ বাকৰিত অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰাৰ লগতে উদ্বোধন কৰে সৰ্বমংগলম সংগীত মহাবিদ্যালয়ৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মাই। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি ৰূপে জ্যেষ্ঠ সাংবাদিক বিষ্ণু ডেকাকে ধৰি স্থানীয় কেইবা গৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটো পৰিচালনাত আঁত ধৰে সংগীত মহাবিদ্যালয় খনৰ সচিব ৰাজেন ডেকাই। এই কৰ্মশালাত মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ৩০ গৰাকীতকৈয়ো অধিক শিশু কিশোৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত বিহু নাচৰ প্ৰশিক্ষণ আগবঢ়াই ভায়লিনা ডেকা আৰু লোনা বৰাই। আনহাতে কৰ্মশালাখনত পেঁপা বাদক দিবাকৰ ফাংচু আৰু ঢোল বাদক গৌৰৱ জ্যোতি হাজৰিকাই সহযোগিতা আগবঢ়ায়। প্ৰতি গৰাকী প্ৰশিক্ষাৰ্থীক আয়োজক মণ্ডলীয়ে একোখনকৈ মানপত্ৰও প্ৰদান কৰে।

# মাজুলীত শাসক-বিৰোধীৰ আকৰ্ষণীয় নিৰ্বাচনী প্ৰচাৰ অভিযান

## দৈনিক জনসভা সম্বোধন মাজুলীৰ বিধায়কৰ

**পৰাণজ্যোতি বৰা, মাজুলী, ৭ এপ্ৰিলঃ** মাজুলীত নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। হাইপ্ৰফাইল নেতাই যোৰহাট লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীত চলাইছে প্ৰচাৰ। ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকা, অতুল বৰা, কেশৱ মহন্ত, অজন্তা নেওগকে আদি কৰি শাসকীয় দলৰ নেতা-কৰ্মীয়ে মাজুলীত প্ৰচাৰ চলোৱাৰ পাছত এইবাৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই তপন গগৈৰ হৈ প্ৰচাৰ চলোৱাৰ কথা। যোৰহাট সমষ্টিৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ পৰিছে। এফালে যোৰহাট লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে দৈনিক চলাইছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। আজি লোহিত খাবলু পঞ্চায়তত তিনিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গামে ডাম্বুকিয়াল ভালুক তিনিআলি, মৰলিয়া, যোগীবাৰী ললিতি মৰাং ৰঙ্গমঞ্চত নিৰ্বাচনী প্ৰচাৰ চলাই মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈক পদুম ফুলৰ চিনত ভোট দিবলৈ ৰাইজক আহ্বান জনায় কয় যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাজুলীক চিকিৎসা মহাবিদ্যালয় দিব ইয়াতকৈ আমাৰ বাবে সুখৰ কথা কি আছে। মাজুলীবাসীক আগুৱাই নিবৰ বাবে আমাৰ চৰকাৰে সকলো খিনি দিছে। আমি দলং পাইছো। শেহতীয়াকৈ মাজুলীৰ টুনি নৈ নিষ্কাষণ প্ৰকল্পৰ কাম চলি আছে এনেদৰে মাজুলীৰ উন্নয়নমূলক কাম চলি আছে। উন্নয়নৰ স্বাৰ্থত মাজুলীবাসীক ভোট দিবলৈ আহ্বান জনায় বিধায়ক গামে। মাজুলীৰ ভকত চাপৰিতো এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয় বিধায়কগৰাকীয়ে। এই প্ৰচাৰ কাৰ্যসূচীত বিধায়কগৰাকীক সংগ দিয়ে সমাজকৰ্মী মানস বৰা, অসম গণ পৰিষদৰ ৰাজ্যিক উপ-সভাপতি ব্ৰজেন গাম, মিছিং স্বায়ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামে গাম, ভাৰতীয় জনতা পাৰ্টি নামনি মণ্ডলৰ সভাপতি প্ৰেম কান্ত মেধিয়ে। আনহাতে মাজুলীত বিৰোধিয়ো কোনো গুণে পিছ পৰি থকা নাই। কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ মাজুলীত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে জিলা কংগ্ৰেছৰ লগতে জাতীয় পৰিষদ, ৰাইজৰ দলৰ কৰ্মকৰ্তাসকল। বিৰোধিয়ে তীব্ৰ কৰি তুলিছে নিৰ্বাচনী প্ৰচাৰ। মাজুলীৰ বিভিন্ন গাঁৱত জনসভা পাতি যোৰহাট সমষ্টিৰ পৰা গৌৰৱ গগৈক জিকোৱাৰ বাবে পণ লবলৈ ৰাইজক আহ্বান কাযকৰ্তাসকলৰ।



নাচনী মুখ্যমন্ত্ৰী! হোজাইত হাজাৰ হাজাৰ জনতাক এনেদৰেই সম্বোধন ড০ হিমন্ত বিশ্ব শৰ্মাৰ

# মায়ঙত নগদ ১.২৫লাখ টকা জব্দ কৰাৰ লগতে লাহৰীঘাটত সুৰা জব্দ

**ই-সংবাদ, মৈৰাবাৰী/লাহৰীঘাট, ৭ এপ্ৰিলঃ** মৰিগাঁও নিৰ্বাচনী জিলাৰ অধীনৰ জাগীৰোড বিধানসভা সমষ্টিত নিয়োজিত ফ্লায়িং স্কোৱাদে যোৱা ৫ এপ্ৰিলত মৰিগাঁও জিলাৰ মায়ং থানাৰ অধীনৰ খোলাভুঞা কেম্পৰ সমীপত এজন ব্যক্তিৰ পৰা নগদ ১,২৫,০০০ টকা জব্দ কৰে। আনহাতে লাহৰীঘাট বিধানসভা সমষ্টিত নিয়োজিত ফ্লায়িং স্কোৱাদে লাহৰীঘাট থানাৰ অধীনৰ তৰাবৰী(কাঠনি) ত এগৰাকী মহিলাৰ পৰা প্ৰায় ৩০,১৮০ টকা মূল্যৰ ২২.৩৮ লিটাৰ ভাৰতত প্ৰস্তুতকৰা বিদেশী সুৰা আৰু ৭.৮ লিটাৰ বিয়েৰ জব্দ কৰে। উল্লেখ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি যদি কোনো প্ৰাৰ্থী, প্ৰাৰ্থীগৰাকীৰ কোনো এজেণ্ট অথবা দলীয় কৰ্মীক নগদ ৫০,০০০ টকাতকৈ অধিক ধনসহ কোনো বাহন জব্দ কৰা হয় অথবা ড্ৰাগছ, সুৰা, অস্ত্ৰ বা ভোটাৰক প্ৰলোভিত কৰাৰ আশংকা থকা ১০,০০০ টকাতকৈ অধিক মূল্যৰ কোনো উপহাৰ কঢ়িয়াই নিয়া হয় তেনেহ'লে তেনে সামগ্ৰী জব্দ কৰা হ'ব। সৰ্বসাধাৰণেও ৫০,০০০ টকাতকৈ অধিক ধন কঢ়িয়াই নিবলৈ লগত উপযুক্ত নথি-পত্ৰ ৰাখিব লাগিব।

## ফুলাম গামোছাৰে দললৈ আদৰিলে সৰ্বানন্দ সোণোৱালে

# সমাজকৰ্মী দয়ানন্দ শ্বাহ-মটক স্বায়ত্ব পৰিষদৰ উপাধ্যক্ষ দেৱৰ্ষি চেতিয়াৰ বিজেপিত যোগদান



**ই-সংবাদ,৭ এপ্ৰিলঃ** কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালাৰ শক্তি বৃদ্ধি কৰিলে এগৰাকী সমাজকৰ্মীয়ে৷ বিশিষ্ট সমাজকৰ্মী দয়ানন্দ শ্বাহে আজি সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বিজেপিত যোগদান কৰিছে৷ সমাজৰ বাবে বিশেষকৈ শিক্ষা দিশত যথেষ্ট কাম কৰা দয়ানন্দ শ্বাহে আজি প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত বিজেপিত যোগদান কৰে৷ দয়ানন্দ শ্বাহৰ লগতে মটক স্বায়ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষ দেৱৰ্ষি চেতিয়াই বিজেপি দলত যোগদান কৰে৷ ডিব্ৰুগড়স্থিত বিজেপিৰ অস্থায়ী কাৰ্যালয়ত আজি অনুষ্ঠিত বৃহৎ যোগদানৰ কাৰ্যসূচীত দুই নেতাই যোগদান কৰাত বিজেপিৰ নেতা-কৰ্মীৰ মাজত উৎসাহ দেখা যায়৷ ডিব্ৰুগড়ৰ সমাজ জীৱনত যথেষ্ট অৰিহণা যোগোৱা দয়ানন্দ শ্বাহে দুটা দশক ধৰি সমাজৰ বাবে কাম কৰি আহিছে৷ ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ ডিব্ৰুৱাল চাংমাই গাঁৱৰ সন্তান এছ.কে এছ ইংলিছ একাডেমিৰ মুখ্য পৰিচালন সঞ্চালক দয়ানন্দ শ্বাহ শিক্ষানুষ্ঠান স্থাপন কৰি সমাজত শিক্ষাৰ পোহৰ বিলাই আহিছে৷ নতুন প্ৰজন্মক শিক্ষাৰ বাট দেখুৱাই সুনাগৰিক হোৱাৰ পণ ল'বলৈ সাহস দি আহিছে৷ চাহ জনগোষ্ঠীৰ লোকৰ জীৱনৰ কল্যাণৰ হকেও কাম কৰি আহিছে৷ অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে৷ ডিব্ৰুগড় জিলা খো-খো সন্থাৰ উপ-সভাপতিৰ দায়িত্ব পালন কৰিছে৷ ডিব্ৰুগড় নৱজাগৃতি যুৱক সংঘৰ উপদেষ্টা, লাহোৱালৰ বহুকেইটা ক্ৰীড়া, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত হৈ সমাজসেৱা কৰি গৈছে৷ ১৯৭২ চনৰ ৩ মাৰ্চত জন্মগ্ৰহণ কৰা দয়ানন্দ শ্বাহে ১৯৯৩ চনত ডিব্ৰুগড় পলিটেকনিকৰ পৰা অসামৰিক অভিযন্তাৰ ডিগ্ৰী গ্ৰহণ কৰিছিল৷ তেতিয়াৰ পৰাই সমাজৰ পিছপৰা, দৰিদ্ৰসকলৰ মংগল চিন্তা, ক্ৰীড়া, সংস্কৃতিৰ উত্তৰণৰ হকে কাম কৰি গৈছে৷ আজি একেটা যোগদান কাৰ্যসূচীত মটক স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য তুষাৰ ৰঞ্জন চেতিয়া, নিৰেন শইকীয়া, প্ৰিয়ংকা নেওগ, আপ, অসম জাতীয় পৰিষদ, কংগ্ৰেছ, মটক ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্মিলনৰ শতাধিক কৰ্মীয়ে বিজেপিত যোগদান কৰে। সভাত ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ নিৰ্বাচনী পৰ্যবেক্ষক কেপ্টেন অভিমুন্য কাশ্যপ, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিমল বৰুৱা, বিধায়ক বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন উপস্থিত থাকে।

## কামৰূপৰ বংশৰত চিকিৎসক অবিহনে চলিছে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

# মুখ্যমন্ত্ৰীৰ সমষ্টিত স্বাস্থ্যখণ্ডৰ ফোপোলা স্বৰূপ

**ই-সংবাদ, শুৱালকুছি, ৭ এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰত ব্যস্ত ৰাজ্যৰ শাসক দলৰ নেতাসকল৷ ৰাজ্যৰ বিভিন্ন দিশত উন্নয়ন কৰি বুলি দাবী কৰি ভোট ভিক্ষা কৰি গৈছে শাসকীয় দলৰ নেতাসকলে৷ কিন্তু খোদ মুখ্যমন্ত্ৰীৰ সমষ্টিত স্বাস্থ্য বিভাগৰ উন্নয়নৰ স্বৰূপ ওলাই পৰিছে৷ স্বাস্থ্য বিভাগৰ পৰিৱৰ্তনৰ শ্ল'গান দিয়াৰ সময়তে মুখ্যমন্ত্ৰীৰ সমষ্টি জালুকবাৰীত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ চলিছে চিকিৎসক অবিহনে৷ বংশৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্থায়ী চিকিৎসক নথকাত ৰোগী আৰু ৰাইজৰ মাজত অসুবিধাৰ সন্মুখীন হোৱাৰ পিছতো স্বাস্থ্য বিভাগে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ স্থানীয় আনিছে আছু তথা সচেতন ৰাইজে৷ চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰসমূহত যাতে উন্নত মানৰ চিকিৎসা সেৱা প্ৰদান, যথোপযুক্ত সা-সুবিধা থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই বিভিন্ন সভা-সমিতিৰ জৰিয়তে ব্যয়বহুল আঁচনি গ্ৰহণ কৰা বুলি ৰাইজক সৌগৰৱে কৈ আহিছে।

কিন্তু কামৰূপৰ বংশৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সামগ্ৰিক পৰিৱেশে বাৰুকৈয়ে উদঙাই দিছে স্বাস্থ্য বিভাগৰ উন্নয়নৰ ফোপোলা স্বৰূপ। সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াত বিলুপ্ত হোৱা মুখ্যমন্ত্ৰীৰ জালুকবাৰী বিধানসভা সমষ্টি আৰু বৰ্তমানৰ হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ শুৱালকুছি মহকুমা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বংশৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত দীৰ্ঘদিনৰ পৰা নাই এজনো স্থায়ী চিকিৎসক৷ যাৰ বাবে ৰাইজৰ লগতে স্বাস্থ্য কেন্দ্ৰটো কৰ্মৰত স্বাস্থ্য কৰ্মচাৰীসকলো যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে৷ বৃহত্তৰ বংশৰ, সানপাৰা, দামপুৰ, গন্ধমৌ আদি অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে কংগ্ৰেছৰ শাসনকালত সেই সময়ৰ স্থানীয় বিধায়ক তথা বৰ্তমান মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত বিভিন্ন উন্নতমানা সা-সুবিধা যুক্ত বংশৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছিল। উন্নতমানৰ চিকিৎসালয় আৰু আটকধুনীয়াকৈ আৱাসগৃহ নিৰ্মাণ কৰা হৈছিল যদিও বংশৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্থায়ী চিকিৎসক প্ৰয়াত কনক কলিতাৰ অকাল মৃত্যুৰ পিছত আজিলৈকে এজনো স্থায়ী চিকিৎসক নিযুক্তি নিদিয়াত বৃহত্তৰ অঞ্চলটোৰ ৰোগী আৰু ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লাখ লাখ টকা খৰছ কৰি নিৰ্মাণ কৰা চিকিৎসকৰ আৱাস গৃহ তথা উন্নতমানৰ সা-সজুঁলিবোৰ ব্যৱহাৰ নকৰাকৈয়েই পৰিত্যক্ত অৱস্থাত থকা বুলি স্থানীয় আছুকে ধৰি সচেতন ৰাইজে অভিযোগ উত্থাপন কৰিছে৷ ৰাইজ তথা ৰোগীকসকলক একপ্ৰকাৰ প্ৰতাৰণাৰে এগৰাকী এবছৰীয়া প্ৰশিক্ষণৰত চিকিৎসকৰ জৰিয়তে চিকিৎসা কেন্দ্ৰটোৰ অস্তিত্ব বৰ্তাই ৰাখিছে যদিও কেন্দ্ৰটোত প্ৰায় এবছৰ ধৰি এজনো স্থায়ী চিকিৎসক নিযুক্ত নথকাত স্বাস্থ্য কেন্দ্ৰটোত ৰোগীৰ লগতে কেন্দ্ৰটোত কৰ্মৰত স্বাস্থ্য কৰ্মচাৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে৷ স্থানীয় সচেতন ৰাইজ তথা দল সংগঠনে অতি শীঘ্ৰে কেন্দ্ৰটোত স্থায়ী চিকিৎসক নিযুক্তি দিবলৈ কামৰূপ জিলা প্ৰশাসন তথা অসম চৰকাৰক আহ্বান জনাইছে।

# জলজীৱন আঁচনিৰ নামত মৈৰাবাৰীত ঠিকাদাৰৰ বৃহৎ লুণ্ঠন

**ই-সংবাদ, মৈৰাবাৰী, ৭ এপ্ৰিলঃ** ধিং জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত মৈৰাবাৰীত জলজীৱন আঁচনিৰ নামত ব্যাপক লুণ্ঠনৰ অভিযোগ উত্থাপন হৈছে। মৈৰাবাৰীৰ জলজীৱন আঁচনিখনত অতি নিম্নমানৰ সামগ্ৰীৰে ঠিকাদাৰে কাম কৰাৰ গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। পূৰ্বেও স্থানীয় ৰাইজে এনে নিম্নমানৰ কামৰ বাবে প্ৰতিবাদ কৰি কামসমূহ পুনৰ নিৰীক্ষণৰ বাবে দাবী জনাইছিল যদিও ঠিকাদাৰ আৰু অভিযন্তাই নিজৰ মতেই চলাই গৈছে কাম-কাজ। কিন্তু কুম্ভকৰ্ণৰ নিদ্ৰাত মগ্ন হৈ চকু মুদা কুলিৰ ভাও ধৰি ধিং জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে ঠিকাদাৰৰ সৈতে কমিচনৰ অংক ব্যস্ত হৈ পৰাৰ অভিযোগ উঠিছে। অকল এয়াই নহয়, ধিং জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত নিৰ্মাণ হৈ থকা জলজীৱন আঁচনিত ঠিকাদাৰৰ লগত অভিযন্তাৰ গোপন বুজাবুজিত পৰ্বতসম দুৰ্নীতি চলি আছে বুলিও ৰাইজে দাবী কৰা দেখা গৈছে। আঁচনিত অতি পাইপৰ লগতে ব্যৱহাৰ কৰা অন্যান্য সকলো সামগ্ৰীয়েই নিম্নমানৰ বুলিও অভিযোগ উঠিছে।সেয়ে, ক্ষুব্ধ ৰাইজে জল-জীৱন আঁচনিৰ নামত চলি থকা বৃহৎ লুণ্ঠনৰাজ আৰু আৰু অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰৰ বিৰুদ্ধে জিলা আয়ুক্তৰ লগতে বিভাগীয় মন্ত্ৰী তথা অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে।

# গুৱাহাটীত 'কা' বিৰুদ্ধে জনসজাগতা অভিযান

# 'কা' জাঁপি দিয়া বিজেপি-অগপক ভোট নিদিবলৈ আহ্বান ড০ গোঁহাইৰ

**গুৱাহাটী, ৭ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ ব্যস্ততাৰ মাজতে আজি 'কা' বিৰোধী ঐক্যমঞ্চই নাগৰিকত্ব সংশোধনী আইন বলৱতৰ বিৰুদ্ধে গুৱাহাটীত জনসজাগতা অভিযান আৰম্ভ কৰে৷ জনসজাগতা অভিযানত ৰাজ্যখনৰ কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে৷ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোকে ভাষণ প্ৰদান কৰি নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰা কাৰ্যৰ তীব্ৰ বিৰোধ কৰি অসমত এই আইনৰ বিৰুদ্ধে আন্দোলন কৰি যোৱাৰ সংকল্প লয়৷ বুদ্ধিজীৱি ড০ হীৰেন গোঁহাইৰ নেতৃত্বত 'কা' বিৰোধী ঐক্যমঞ্চই কেইবাঘণ্টা ধৰি অসমীয়া জাতি আৰু ভেটিৰ সুৰক্ষাৰ স্বাৰ্থত আইনখন বাতিল কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায় আৰু জনসজাগতা অভিযান আৰম্ভ কৰে। ড০ হীৰেন গোঁহাইয়ে 'কা'ৰ দৰে এখনসৰ্বানাশী আইনে অসমীয়া জাতিৰ ভাষা আৰু সংস্কৃতিক বিলুপ্ত কৰিব বুলি ব্যাখ্যা আগবঢ়ায় আৰু বিদেশীৰ বোজাৰ পৰা অসমক বচাবলৈ বিজেপি আৰু অগপ দলক ভোট নিদিবৰ বাবে ৰাইজক আহ্বান জনায়। 'কা' বিৰোধী ঐক্যমঞ্চৰ মুখ্য সমন্বয়ক দেৱেন তামুলীয়ে আঁতধৰা অনুষ্ঠানত প্ৰায়কেইটা বিৰোধী দলৰ প্ৰতিনিধিৰ আৰু ছাত্ৰ সংগঠনৰ নেতা উপস্থিত থাকে। চিপিএম, চিপিআইৰ নেতৃবৃন্দৰ লগতে পিএলপিৰ চৰণ ডেকা, জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল মান্নান, জ্যেষ্ঠ কংগ্ৰেছ নেতা বলীন কুলী, শিলসাঁকোৰ উচ্ছেদিতৰ পৰিয়ালৰ কেবাগৰাকীও বক্তাৰ লগতে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ সম-অধ্যক্ষ বেদব্ৰত বৰায়ো 'কা' বলৱৎ কৰা চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। বৰাই কয় যে দিল্লীত ইণ্ডিয়া মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'লে প্ৰথমখন কেবিনেটতে 'কা' বাতিল কৰা হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিক ইন্দ্ৰাণী দত্তই বিজেপি চৰকাৰৰ বিৰুদ্ধে অসমৰ ৰাইজক ভোট প্ৰদান কৰিবৰ বাবে আহ্বান জনায় আৰু বিজেপিয়ে পুনৰ চৰকাৰ গঠন কৰিলে অসমতে অসমীয়া ভগনীয়া হ'ব বুলিও উল্লেখ কৰে।



# বঙাইগাঁৱত ফ্লায়িং স্কোৱাডৰ অভিযানত ২ লাখ টকা উদ্ধাৰ

**ই-সংবাদ, ৭ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ বাবে গঠিত ফ্লাইং স্কোয়াডে ৰাজ্যৰ বিভিন্ন প্ৰান্তত লক্ষ লক্ষ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে৷ বিগত কেইবাটাও দিন ধৰি ৰাজপথত ফ্লাইং স্কোয়াডে অভিযান চলাই নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে৷ বঙাইগাঁও জিলাত সক্ৰিয় ফ্লাইং স্কোয়াডেআজি নিয়মীয়া তালাচীত নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে৷ আজি ফ্লাইং স্কোৱাডে এএছ-২৬-এচি-০৭৪৭ নম্বৰৰ এখন বাহনৰ পৰা প্ৰায় ১ লাখ ৬০ হাজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ গাড়ীত টকা লৈ অহা লোকজনে নথিপত্ৰৰ দেখুৱাব নোৱাৰাত ১ লাখ ৫৭ হাজাৰ টকা জব্দ কৰে৷ নগদ ধন কোষাগাৰত জমা কৰা বুলি জানিব পৰা গৈছে৷ বঙাইগাঁৱত আন এজন লোকৰ পৰা ৫০ হাজাৰ নগদ ধন উদ্ধাৰ হয়৷ নিৰ্বাচনী আচৰণৰ বিধি উলংঘা কৰি নগদ টকা কঢ়িয়াই নিয়া লোকৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিছে ফ্লাইং স্কোয়াডে।

## কেজৰিৱালৰ মুক্তিৰ দাবীৰে আপৰ বিশেষ কাৰ্যসূচী

# ৰাজ্যজুৰি কেজৰিৱালক আশীৰ্বাদ, আপৰ সমূহীয়া উপবাস পালন




**ই-সংবাদ, ৭ এপ্ৰিলঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো আজি আপৰ নেতা-কৰ্মীয়ে সমূহীয়া উপাবাস পালন কৰে৷ আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ মুক্তি তথা সুস্বাস্থ্য প্ৰাৰ্থনাৰে অসমত সমূহীয়া উপবাস কাৰ্যসূচী ৰূপায়ন কৰা হয়৷ গুৱাহাটী চচলত ৰাজ্যিক সমিতিৰ নেতা ভবেন চৌধুৰীৰ নেতৃত্বত সমূহীয়া উপবাস পালন কৰা হয়৷ চচলত পুৱা ১১ বজাৰ পৰা বিয়লি ৫ বজালৈকে অনশন কাৰ্যসূচী পালন কৰে দলৰ শতাধিক নেতা-কৰ্মীয়ে। সাংগঠনিক সম্পাদক ব্ৰজেন সন্দিকৈ, জ্যেষ্ঠ মুখপাত্ৰ অনুৰূপা ডেকাৰজা, মহিলা শক্তিৰ সভানেত্ৰী অনুৰূপা বড়ো, সংবাদ কোষৰ সমন্বয়ক জয়ন্ত কুমাৰ কলিতা, গুৱাহাটী পৌৰ নিগমৰ ৱাৰ্ড মেম্বাৰ মাছুমা বেগমৰ উপস্থিতিত এই কাৰ্যসূচী ৰূপায়ন কৰা হয়৷ভবেন চৌধুৰীয়ে বিজেপিয়ে অৰবিন্দ কেজৰিৱালক ভয় কৰে আৰু সেইবাবেই কেজৰিৱালক জেলত বন্দী কৰিব খোজাৰ অভিযোগ উত্থাপন কৰি আপক ধ্বংস কৰিব খোজাৰ ষড়যন্ত্ৰ কৰা বুলি কয়৷ চৌধুৰীয়ে কয় যে আপক ধ্বংস কৰিব নোৱাৰে৷ যিমানে আপক ধ্বংস কৰিব খুজিব সিমানে আপ শক্তিশালী হ'ব৷আপৰ ৰাজ্যিক সমিতিৰ লগতে বিভিন্ন জিলাত এই কাৰ্যসূচী ৰূপায়ন কৰা হয়। উজনি নামনিৰ বিভিন্ন জিলাৰ লগতে মাজুলীতো সমূহীয়া উপবাস পালন কৰে আপে৷ জেলৰ পৰা ৰাইজৰ সেৱা কৰিবলৈ সুমতি প্ৰদান আৰু প্ৰেৰণা যোগোৱাৰ লক্ষ্যৰে মাজুলীত জিলা আম আদমীৰ পাৰ্টিয়ে সমূহীয়া উপবাস পালন কৰে। মাজুলীৰ সদৰ গড়মূৰতত আম আদমী পাৰ্টিৰ নেতা-সমৰ্থকে সন্মুখত বেনাৰ পোষ্টাৰ লগাই ১০ঃ৩০ বজাৰ পৰা ২বজালৈ অনাহাৰে থাকি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰীৱালক আশীৰ্বাদ প্ৰদান কৰে। আশীৰ্বাদ প্ৰদান কাৰ্যসূচীত মাজুলী জিলাৰ আম আদমী পাৰ্টিৰ সভাপতি বিকি পেগু, সম্পাদক সোনমইনা দাস, মুখপাত্ৰ অপূৰ্ব বেজ, সংগঠনিক সম্পাদক প্ৰাঞ্জল দলে, মিথুন পেগু ,দীপক পেগুসহ পোন্ধৰাজনীয়া সদস্য সদস্যই অংশগ্ৰহণ কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক জেলৰ পৰা মুক্তি দিয়া আৰু জেলত থকা সময়ত সু-স্বাস্থ্যৰে থকাৰ কামনা কৰে ৰাজ্যখনৰ আপৰ নেতা-কৰ্মীয়ে৷

# মাজুলীত গঁড়ৰ জলকেলি দেখি বন বিভাগক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ বিধায়কৰ

**পৰাণজ্যোতি বৰা, মাজুলী, ৭,এপ্ৰিলঃ** মাজুলীৰ বিভিন্ন ঠাইত কেইবাটাও গঁড়ে আজিও মুক্ত বিচৰণ কৰি আছে৷ ছয় মাহ ধৰি মুক্ত বিচৰণ কৰি থকাত ৰাইজ আতংকিত৷ ইতিমধ্যে গঁড়ৰ আক্ৰমণত মাজুলীৰ চাৰিজনকৈ লোকৰ মৃত্যু হৈছে। ২০ ফেব্ৰুৱাৰীত গা ধুই ঘৰলৈ আহি থকা অৱস্থাত পদুলি মূৰতেই গঁড়ৰৰ আক্ৰমণত মাজুলীৰ ভকতচাপৰিৰ ১নং পদুমনি গাঁৱৰ পদ্মধৰ ভেৰুৱাৰ (৫৪) মৃত্যু হৈছিল। তৎসত্বেও বন বিভাগে মাজুলীৰ পৰা গঁড়কেইটাক খেদি পঠাবলৈ সক্ষম হোৱা নাই৷ আজি পুৱা মাজুলীৰ মহৰিচুক চাৰিঘৰিয়াত এটা গঁড়ৰ মুক্ত বিচৰণ প্ৰত্যক্ষ কৰি হুৱাদুৱা লাগে৷ গঁড়টোঅঞ্চলটোৰ বিভিন্ন ঠাইত ঘূৰি এটা পুখুৰীত নামি জলকেলি কৰাৰ লগতে পানীৰ মাজতেই বহু সময় আৱদ্ধ হৈ থাকে। গঁড়টোক প্ৰত্যক্ষ কৰিবলৈ মহৰিচুক চাৰিঘৰিয়াত মাজুলীৰ বিভিন্ন ঠাইৰ লোক সমবেত হয়৷ কিবা অঘটন ঘটোৱাৰ আশংকাত আতংকিত হৈছে ৰাইজ। কোন সময়ত কি অঘটন ঘটাই ঠিক নাই। ৰাইজে অভিযোগ উত্থাপন কৰি কয় যে মাজুলীৰ পৰা গঁড়কেইটাক খেদি পঠিওৱাত ব্যৰ্থ হৈছে বন বিভাগ। গঁড়ৰ মুক্ত বিচৰণৰ খবৰ পাই মাজুলীৰ বিধায়ক ভুবন গাম উপস্থিত হৈ বন বিভাগৰ বিষয়া-কৰ্মচাৰীক কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰিবলৈ আহবান জনায়।

শেষ পৃষ্ঠা

# সৰুপথাৰত প্ৰীতি ফুটবল মেচ সম্পন্ন




**ই-সংবাদ, সৰুপথাৰ, ৭ এপ্ৰিলঃ** কাজিৰঙা লোকসভা সমষ্টিৰ ধনশিৰি নিৰ্বাচনী জিলাৰ ছিষ্টেমেটিক ভোটাৰ্ছ এডুকেশ্যন এণ্ড ইলেক্ট'ৰেল পাৰ্টিচিপেশ্যন চমুকৈ এছভিইইপি কোষৰ উদ্যোগত ছোৱালী-ল'ৰা উভয়ৰে ফুটবল খেল অনুষ্ঠিত কৰে। সৰুপথাৰৰ ধূপগুৰি খেলপথাৰত অনুষ্ঠিত হোৱা মেচখনৰ জৰিয়তে নতুন ভোটাৰসকলক কেনেকৈ ভোটদান কৰিব লাগে, সকলোকে ভোটদান কৰিবলৈ সজাগতাৰ সৃষ্টি কৰে। ধনশিৰি মহকুমাৰ মহকুমাধিপতি শ্ৰেয়া সিংঘলে উদ্বোধন কৰা প্ৰতিযোগিতাৰ, ছোৱালী শাখাত অনুষ্ঠিত হোৱা খেলখনত ডলফিন এফ.চি (এ) দলে ৪-১ গ'লৰ ব্যৱধানত জয় লাভ কৰে। ইপিনে ল'ৰা শাখাৰ ৩-০ গলৰ ব্যৱধানত জয় লাভ কৰে। বিজয়ীসকলক মানপত্ৰ সহিতে ট্ৰফী প্ৰদান কৰা হয়। লগতে দুটাকৈ ফুটবল দুয়োটা দললৈ আগবঢ়োৱা হয়। উল্লেখ্য যে ৰাজ্যত ঘৰে ঘৰে পোষ্টেল বেলটৰ জৰিয়তে ভোটৰ ব্যৱস্থাৰ প্ৰক্ৰিয়া অব্যাহত আছে। সমান্তৰালকৈ ধনশিৰিৰ এছভিইইপি কোষৰ উদ্যোগত নতুন ভোটাৰৰ লগতে সৰ্বসাধাৰণ ভোটাৰসকলক ভোটৰ দিনা ভোটদান কৰিবলৈ সজাগ কৰিবলৈ মহকুমাৰ বিভিন্ন প্ৰান্তত বাটৰ নাট, দেৱাল অংকন, কুইজকে আদি কৰি ধৰণৰ সজাগতা সভা অনুষ্ঠিত কৰি আহিছে।







# দেখাত পুৰুষৰ দৰে বাবেই মহিলা পৰ্যটকৰ পোছাক ফালিলে মৰিয়নিত

**ই-সংবাদ, ৭ এপ্ৰিলঃ** বাৰে বাৰে বিদেশী পৰ্যটকৰ সৈতে সংঘটিত অপ্ৰীতিকৰ ঘটনাই লজ্জানত কৰিছে অসমীয়া সমাজখনক৷ এইবাৰ এগৰাকী মহিলা পৰ্যটক দেখাত পুৰুষৰ দৰেই বাবেই নাৰী হয় নে নহয় চাবলৈ টি-চাৰ্ট ফালি হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে৷ এই কাণ্ড সংঘটিত হৈছে যোৰহাট জিলাৰ মৰিয়নিত৷ ঘটনাক অসম আৰক্ষীয়ে গুৰুত্বসহকাৰে লৈছে৷ ইতিমধ্যে গোচৰ ৰুজু কৰি অসম আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে৷ যোৰহাট জিলাৰ তিতাবৰ আৰক্ষীয়ে অভিযোগকাৰী মহিলাৰ সৈতে যোগাযোগ কৰি আইন অনুসৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে৷ নেপালৰ পৰা অসম ভ্ৰমণ কৰিবলৈ অহা মহিলা পৰ্যটকে সামাজিক মাধ্যমত শ্বেয়াৰ কৰি এটা ভিডিঅ' যোগে এই অভিযোগ উত্থাপন কৰিছে৷ জানিব পৰা মতে, নেপালৰ মহিলা কৰ্মসূত্ৰে থাকে কলকাতাত৷ কলকাতাৰ পৰা উজনি অসম ভ্ৰমণ কৰিবলৈ আহিছিল৷ মৰিয়নিত মহিলাৰ বান্ধৱীৰো ঘৰ আছে৷ যোৰহাট জিলাৰ মৰিয়নিত বিভিন্ন স্থান পৰিদৰ্শন কৰি আছিল৷ ইনষ্টাগ্ৰামত ভিডিঅ' শ্বেয়াৰ কৰি মহিলাই কয় যে ১ এপ্ৰিলৰ নিশা প্ৰায় ১০ বাজি ৩০ মিনিটত মৰিয়নিৰ ৰাজপথত প্ৰায় ছয়গৰাকী পুৰুষ আৰু এগৰাকী মহিলাক লগ পায়৷ পৰ্যটক মহিলাই নিজকে নেপালৰ বুলি চিনাকী দিছিল যদিও মহিলাক নাগালেণ্ডৰ পৰা অসমত প্ৰৱেশ কৰা বুলি সন্দেহ কৰি নানা প্ৰশ্ন সুধিব ধৰে৷ প্ৰায় ৬গৰাকী পুৰুষ-মহিলাই পৰ্যটক মহিলাগৰাকীক মহিলা বুলি মানি ল'ব খোজা নাছিল৷ সেই সময়ত মহিলাই পিন্ধি থকা টি-চাৰ্ট ফালি মহিলা হয় নে নহয় সেই কথা পৰীক্ষা কৰিছিল৷ নাগালেণ্ডৰ মন জিলাৰ পৰা অসমত প্ৰৱেশ কৰাৰ সন্দেহ কৰি এদল পুৰুষৰে হাৰাশাস্তি কৰাৰ লগতে লিংগ নিশ্চিত কৰিবলৈ পিন্ধি থকা টি-চাৰ্ট ফালি চোৱাৰ কথা খোদ বৰ্ণনা কৰিছে মহিলাই৷ মহিলাই মৰিয়নি আৰক্ষীৰ ওচৰ চাপিছিল দিও মুখায়াবৰ বাবে মহিলাক অট্টহাস্য কৰিছিল৷ মৰিয়নি আৰক্ষীয়ে ঘটনাক গুৰুত্বসহকাৰে নোলোৱাৰ অভিযোগ আনে৷ ইনষ্টাগ্ৰামৰ ভিডিঅ' আপলোডৰ পাছতে ভাইৰেল হ'ব ধৰে৷ একাংশ লোকে এই ঘটনা নিন্দা কৰাৰ লগতে ঘটনাৰ সৈতে জড়িত আটাইকেইজন লোকক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰে৷

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান